# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 7-11-2024
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*

::::::::::::::::::::::::::::::::::

ৰাজ্যৰ ৫টা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনলৈ মাজত ৫টা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই আজি চামগুৰি আৰু বিহালী সমষ্টিৰ দলীয় প্ৰাৰ্থী দুগৰাকীৰ  হৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তেওঁ বিহালীত আয়োজিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে  কাইলৈ চিদলী আৰু বঙাইগাঁও বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব।

ইফালে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই চিদলী বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তেওঁ সমষ্টিটোৰ প্ৰাৰ্থীগৰাকীক জয়ী কৰাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। কংগ্ৰেছ দলৰ সাংসদ ৰকিবুল হুছেইনেও আজি প্ৰচাৰ সভাত অংশ লয়। দলৰ সাংসদ তথা বৰোধীৰ উপ-দলপতি গৌৰৱ গগৈয়ে আজি বিহলী সমষ্টিত প্ৰচাৰ চলায়।

০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰেই সন্ত্ৰাসবাদ প্ৰতিৰোধৰ বাবে নতুন ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ প্ৰতিৰোধী নীতি আৰু কৌশল প্ৰস্তুত কৰিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ঘোষণা কৰিছে। আজি নতুন দিল্লীত অনুষ্ঠিত দুদিনীয়া সন্ত্ৰাসবাদ বিৰোধী সন্মিলন, ২০২৪ উদ্বোধন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা বিগত ১০ বছৰত চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে কঠোৰ দৃষ্টিভংগী গ্ৰহণ কৰি আহিছে। তেওঁ কয়, যে শ্ৰী মোদীৰ সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতা নীতিক বিশ্বৰ বিভিন্ন দেশে ভূয়সী প্ৰশংসা কৰিছে। যোৱা ১০ বছৰত দেশত সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিবলৈ এটা শক্তিশালী ব্যৱস্থা গঢ়ি তোলা হৈছে বুলি উল্লেখ কৰি শ্ৰী শ্বাহে কয়, যে  ২০০৬ চনৰ পৰা ২০১৩ চনৰ সময়ছোৱাতকৈ ২০১৪ৰ পৰা ২০২১ চনলৈ দেশত সন্ত্ৰাসবাদজনিত ঘটনা ৭০ শতাংশ হ্ৰাস পাইছে। শ্ৰী শ্বাহে লগতে কয় যে চলিত বছৰত প্ৰৱৰ্তন কৰা তিনিখন নতুন ফৌজদাৰী আইন বিশ্বৰ ভিতৰতে আটাইতকৈ আধুনিক আৰু কাৰিকৰীভাৱে আগবঢ়া হিচাপে পৰিগণিত হ'ব। তেওঁ কয় যে সুৰক্ষাৰ সৈতে জড়িত আইনসমূহ শেহতীয়াকৈ সংশোধন কৰা হৈছে।

শ্ৰী শ্বাহে তেওঁৰ ভাষণত স্বাধীনতা লাভৰ পাছৰে পৰা দেশৰ আভ্যন্তৰীণ সুৰক্ষা আৰু সীমান্তৰ নিৰাপত্তা বৰ্তাই ৰখাৰ বাবে প্ৰাণ আহুতি দিয়া ৩৬ হাজাৰ ৪৬৮ গৰাকী আৰক্ষী কৰ্মীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা- এন আই এৰ উদ্যোগত এই দুদিনীয়া সন্মিলনখনৰ আয়োজন কৰা হৈছে।

০০০০০০০০

মৰিগাঁও জিলা প্ৰশাসনৰ সহযোগত তথা মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ উদ্যোগত আজি মহাবিদ্যালয়খনৰ চৌহদত দিনজোৰা কাৰ্যসূচীৰে ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হয়। এই উপলক্ষে আজি পুৱাৰ ভাগত এটা সম্প্ৰীতিৰ শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাত মায়ঙৰ ৰজা তৰনীকান্ত সিংহ কোঁৱৰৰ লগতে ভালে সংখ্যক ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে মহাবিদ্যালয়খনত বহুভাষিক কবিতা পাঠ অনুষ্ঠানৰ আয়োজন কৰা হয়। অসমীয়াৰ উপৰি কাৰ্বি, নেপালী আৰু বড়ো ভাষাৰ কেইবাটাও কবিতা কবিসকলে পাঠ কৰে। ইয়াৰ পাছতে অনুষ্ঠাতি মুকলি সভাত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই ভাষণ দিয়ে।

০০০০০০০০

ৰাজ্যৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু দক্ষিণ কোৰিয়াৰ **ৱৰ্ল্ড ফ্ৰাগ্ৰান্ট ক'ৰ্পৰেচনে** অসমৰ শিক্ষাৰ্থীক কোৰিয়ান ভাষা শিক্ষণৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই উদ্দেশ্যে দুয়োটা প্ৰতিষ্ঠানে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই অংশীদাৰিত্বত শিক্ষাৰ্থীসকলৰ বাবে এহেজাৰ ডলাৰ অনুদান, শৈক্ষিক সুযোগ বৃদ্ধিৰ লগতে ভাৰত আৰু দক্ষিণ কোৰিয়াৰ মাজত সাংস্কৃতিক বিনিময়ৰ সূচনা হ'ব বুলি আশা কৰা হৈছে।

০০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে পৰহিলৈৰ পৰা দুদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ১৯৯৮ চনৰ ৯ নৱেম্বৰত কলাক্ষেত্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হৈছে। পৰহিলৈৰ পুৱা কলাক্ষেত্ৰৰ কীৰ্তনঘৰত নাম-প্ৰসংগ আৰু আয়তীসকলৰ দিহানামেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হব। দিনৰ ভাগত বৰ্ণালী শীৰ্ষক অসমৰ বাৰে ৰহণীয়া লোকনৃত্যৰ অনুষ্ঠান আৰু সন্ধিয়া অসমৰ নাট্য তথা চলচ্চিত্ৰ জগতৰ অন্যতম পুৰোধা সদ্যপ্ৰয়াত কুলদা কুমাৰ ভট্টাচাৰ্যৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু নাট্যানুষ্ঠান পৰিৱেশন কৰা হ'ব। দ্বিতীয় দিনা সোণালী সুদিন শীৰ্ষক ব্যতিক্ৰমী কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০০০

যোৰহাট জিলা আয়ুক্তৰ সভাকক্ষত আজি জিলাখনৰ আৰক্ষী আৰু পৰিবহণ বিভাগৰ বিষয়াসকলৰ বাবে প্ৰশিক্ষণ তথা সামৰ্থ বিকাশ কাৰ্যসূচী অনুষ্ঠিত হয়। বিশ্ব বেংকৰ সহযোগত অনুষ্ঠিত এই কাৰ্যসূচীত দুৰ্ঘটনাৰ গোচৰত, দুৰ্ঘটনাৰ পিছৰ তদন্ত কিদৰে আগবাঢ়িব লাগে সেই বিষয়ে কাৰিকৰী বিশেষজ্ঞসকলে প্ৰশিক্ষণ প্ৰদান কৰে।

০০০০০০০০

কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ উদ্যোগত আজিৰ পৰা গোলাঘাটত আন্তঃবেটেলিয়ন অপছ হকী প্ৰতিযোগিতা ২০২৪ অনুষ্ঠিত হৈছে। চিআৰপিএফ ১৪২ নম্বৰ বেটেলিয়নৰ দ্বাৰা অনুষ্ঠিত এই প্ৰতিযোগিতাখন ৯ নৱেম্বৰলৈকে চলিব আৰু এই খেলত বিভিন্ন বেটেলিয়নৰ দলে অংশগ্ৰহণ কৰিছে।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত জৈৱ ইন্ধনঃ ভৱিষ্যতৰ অৰ্থনীতি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ অধ্যক্ষ ড° অৰূপ কুমাৰ মিশ্ৰ আৰু নুমলীগড় তেল শোধনাগাৰৰ কৰ্প'ৰেট

পৰিক্ৰমা বিভাগৰ উপদেষ্টা নিকুঞ্জ বৰঠাকুৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

oooooooo

ওদালগুৰি জিলাৰ টংলা পূজাখোলাৰ নিবাসী ব্যৱসায়ী উদয় সাহাৰ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৩ বছৰ।

oooooooo

**সমাপ্ত**